# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 13-05-2025

**Time :** 1820 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

পাকিস্তানত সন্ত্ৰাসবাদী শান্তিৰে আৰু সুৰক্ষিতভাৱে লুকাই থাকিব পৰাকৈ এতিয়া কোনো অঞ্চল নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। পঞ্জাবৰ আদমপুৰত বায়ুসেনাৰ চাউনীত উপস্থিত হৈ সেনা জোৱানসকলৰ সৈতে মত বিনিময় কৰি শ্ৰী মোদীয়ে এই কথা দৃঢ়তাৰে প্ৰকাশ কৰে। অপাৰেচন সিন্দূৰ অভিযানৰ সাফল্যৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে পাকিস্তানৰ ৯টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰাৰ লগতে শতাধিক সন্ত্ৰাসবাদীক নিহত কৰিছে। দেশখনৰ সন্ত্ৰাসবাদী সংগঠনৰ সদস্যসকলৰ বাবে নিৰ্ভৰযোগ্য পাকিস্তানী সেনা বাহিনীক ভাৰতীয় সুৰক্ষা বাহিনীয়ে পৰাস্ত কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে নিৰিহ লোকৰ ৰক্তক্ষয়ৰ এটাই পৰিণাম হ'ব পাৰে আৰু এয়া হৈছে – ধ্বংস আৰু সমূলি বিনাশ। শ্ৰী মোদীয়ে পাকিস্তানৰ বিৰুদ্ধে এই সংঘৰ্ষৰ সময়ত সুৰক্ষা বাহিনীয়ে দেখুওৱা অদম্য সাহস আৰু পেছাদাৰী মনোভাৱক প্ৰশংসা কৰে।

তেওঁ কয়, যে অপাৰেচন সিন্দূৰে দেশবাসীৰ মনোবল বৃদ্ধি কৰাৰ লগতে সমগ্ৰ দেশক একতাৰ বান্ধোনেৰে শক্তিশালী কৰিছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীয়ে ইয়াৰ দ্বাৰা ভাৰতৰ গৌৰৱ অভূতপূৰ্ব, অকল্পনীয় আৰু অভিনৱ ৰূপত শিখৰলৈ লৈ গৈছে। বায়ুসেনা বাহিনীয়ে পাকিস্তানৰ অভ্যন্তৰত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ২০-২৫ মিনিটৰ ভিতৰতে নিশ্চিহ্ন কৰাৰ কথাটোৱে পেছাদাৰী মনোভাৱ আৰু আধুনিক প্ৰযুক্তিৰ দ্বাৰা সমৃদ্ধ হোৱাটোকে সূচাইছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে অভূতপূৰ্ব সাফল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। নিৰ্বাচন আয়োগে এতিয়ালৈকে পঞ্চায়ত নিৰ্বাচনৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই যদিও জিলা আয়ুক্তসকলে প্ৰকাশ কৰা তথ্য অনুসৰি এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰদলসমূহে জিলা পৰিষদৰ মুঠ ৩৯৭ খন আসনৰ ৩০০ খনত জয়লাভ কৰাৰ লগতে আঞ্চলিক পঞ্চায়তৰ ২ হাজাৰ ১৯২ খন আসনৰ এহেজাৰ ৪৩৬ খনত জয়লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বৃহৎ জয়ৰ বাবে সকলোকে ধন্যবাদ জনায়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ এই আস্থা আৰু বিশ্বাস ২০২৬ চনৰ নিৰ্বাচনতো প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **সবকা সাথ সবকা বিকাশ** নীতিৰ বাবে পঞ্চায়ত নিৰ্বাচনত এনে বৃহৎ সফলতা লাভ কৰাটো সম্ভৱ হ'ল। অনাগত দিনত অসমত গ্ৰামোন্নয়নৰ বিকাশৰ জয়যাত্ৰাই বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত বিশেষ অৰিহণা যোগাব বুলি শ্ৰীসোণোৱালে আশা ব্যক্ত কৰে। পঞ্চায়ত নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত এ আই ইউ ডি এফে আজি হাটশিঙিমাৰীত এখন সংবাদমেলৰ আয়োজন কৰে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ছাত্ৰীয়ে পুনৰবাৰ ছাত্ৰৰ তুলনাত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এইবাৰৰ পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯১ শতাংশ। এয়া ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ৫ দশমিক ৯-৪ শতাংশ অধিক। আনহাতে তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হৈছে ১০০ শতাংশ। এই বছৰ মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৮৮ দশমিক ৩-৯ শতাংশ, যিটো যোৱা বছৰৰ তুলনাত দশমিক ৪-১ শতাংশ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ১৬ লাখ ৯২ হাজাৰ ৭৯৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৯৩ দশমিক ৬-৬ শতাংশ। দশম শ্ৰেণীৰ পৰীক্ষাতো ৯৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ছাত্ৰৰ তুলনাত ২ দশমিক ৩-৭ শতাংশ অধিক হৈছে। এই বছৰৰ দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ ২৩ লাখ ৭১ হাজাৰ ৯৩৯ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ফলাফলসমূহ চিবিএছইৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল প্লেটফৰ্মত উপলব্ধ হৈছে।

০০০০০

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ২৩ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি ডিব্ৰুগড়ত সৰ্বাধিক ১১ খন, হাইলাকান্দিত দুখন, বিশ্বনাথ, কাছাৰ, চৰাইদেউ, দৰং, গোলাঘাট, কাৰ্বি আংলং, লখিমপুৰ, শিৱসাগৰ, শোণিতপুৰ আৰু তিনিচুকীয়াত এখনকৈ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে। উল্লেখযোগ্য যে পূৰ্বতে চাহ বাগিচা অঞ্চলসমূহত দশম শ্ৰেণী পৰ্যন্তহে অধ্যয়নৰ ব্যৱস্থা আছিল যদিও ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এই হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰে। চলিত শিক্ষাবৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়সমূহৰ কলা শাখাত নামভৰ্তি কৰিব পাৰিব বুলি শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ইপিনে, চলিত বৰ্ষৰ পৰাই ৰাজ্যৰ ১০ খন আদৰ্শ মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে কালি এই কথা প্ৰকাশ কৰে। এই অনুসৰি ২০২৫-২৬ শৈক্ষিক বৰ্ষত হাইলাকান্দি আদৰ্শ মহাবিদ্যালয়, ওদালগুৰি হৰিশিঙাৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চিৰাং, মাজুলী, শোণিতপুৰৰ বৰছলা, মঙলদৈ, গোলকগঞ্জ, ধুবুৰীৰ মাজৰ আলগা, লাহৰিঘাট আৰু চামগুৰিৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব।

০০০০০

সমাপ্ত